## সম্পাদনা সমিতিৰ সমূহ সদস্যসকল



মিণ্টু কোঁচ
(সদস্য)



সাৰংগ শংকৰ কলিতা
(আলোচনী সম্পাদক)



ভাস্কৰ কোঁচ
(সদস্য)



কিশোৰ কুমাৰ গগৈ
(সদস্য)



ধৰ্ম্মজ্যোতি বৰগোঁহাই
(সদস্য)



নিলোৎপল ফুকন
(সদস্য)



সিদ্ধাৰ্থ শংকৰ কলিতা
(সদস্য)



ভৱেন্দ্ৰ নাৰায়াণ চাংমাই
(সদস্য)



সোঁফালৰ পৰা থিয় হৈ ঃ-
সাৰংগ শংকৰ কলিতা ( আলোচনী সম্পাদক),
সঞ্জীৱ চেতিয়া (সমাজ সেৱক সম্পাদক )
ধ্রুৱজ্যোতি শইকীয়া ( লৰা'ৰ জিৰণি কোঠা সম্পাদক ),
দুৰ্গেশ্বৰ হাজৰিকা ( সংগীত সম্পাদক),
ঋতুৰাজ বাইলুং সোনোৱাল ( তর্ক আৰু সাংস্কৃতিক সম্পাদক),
প্ৰবিত্ৰ দত্ত ( সাধাৰণ ক্ৰিড়া সম্পাদক )
নিত্যানন্দ গগৈ (শৰীৰ চৰ্চা সম্পাদক)
অনুপস্থিত ঃ-
ৰীণি লাহন ( ছোৱালী জিৰণি কোঠা সম্পাদীকা )

সোঁফালৰ পৰা বহি ঃ-
অমৰজ্যোতি বৰুৱা- (গুৰু ক্ৰীড়া সম্পাদক),
ভাস্কৰ কোঁচ ( লঘু ক্ৰিড়া সম্পাদক)
কৃষ্ণ নাৰায়ণ দত্ত বৰুৱা ( উপসভাপতি )
জিতু গগৈ ( সাধাৰণ সম্পাদক )
অমৃত ভৰদ্বাজ ( সহঃ সাধাৰণ সম্পাদক)



কানৈ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ পৃষ্ঠপোষক তথা কানৈ মহাবিদ্যালয়ৰ প্ৰবক্তা অনুপ ভঁৰালী ছাৰৰ সৈতে ১৯৯৯-২০০০ চনৰ আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী কৰি গৌৰৱ ময় কৰি তোলা কানৈ মহাবিদ্যালয়ৰ দলটি ।


ILDING
AND
KUMAR




**Munindra Sonowal**

*This bodybuilder is not only 'Mr. Kanoi.' In 1999 he won ' Assam Udai' . In 1999-2000 he was the runnerusup of 'Tinsukia Shree'. He was also the runnnerusup of ' Dihing Shree' . In 2000 -2001 he won the Mr. Assam( Group winner).*



**Sitting : L →R**
**Prodip Baruah, Uttam Dutta, Abhijit Sharma,**
**Standing : L →R**
**Mithun Singh , Pankaj Deka, Jugananda Dutta, Ghanashyam Dutta, An absent Prasanta Dehingia, Utpal Dutta, Gautam Acharya, Mauranjan Borthakur.**

***This group has won the Best Group song competition of the college week 1999-2000.***



Saurav Bhagabati of our D.H.S.K College represented CYMCC ( Calcutta Young Men's Crickat Club) as Captain of 14 member team to U.K ( Somerset) . He is a 2nd year B.A student and represented Assam in Vijay Merchant Trophy, All India national School games, Coach Bihar Trophy with good performances . His individual performance in U.K. was that he scored three fifties, 95 being the highest and overall scored scored 241 runs at average of 48 runs per innings and took 18 wickets on the tour for which he has been invited to play for a club ( Somerset West league , 1st Division ) U.K from April to Sept.2001 on a 6th month contract.



Putul Saikia

He won the strong man title of D.H.S.K College . By winning this title in 2000 he made hattrick.



Amar Borah

This man won the Boxing competition (Below 50 kg group) at the college week and became the best boxer in the event .



Neharika Saikia :

Won the hearts of Music lovers with her sweet voice & impressed the panel of judges, too,tobe declared as the best singer amongst the Kanoian for 1999-2000



Ajay Sharma,is the second commanding officer of N.C.C. Recently he went to a camp held in Shillong of the state level.

e-
at
K
d
ll
y
r-
5
s



Putul Saikia

He won the strong man title c
College . By winning this title
made hattrick.



Amar Borah


This man won the Boxing con
(Below 50 kg group) at the colleg
became the best boxer in the eve



Ajay Sharma,is the
commanding officer of N.C.C. R
went to a camp held in Shillong c
level.

## প্ৰাচীৰ পত্ৰিকা শিতান

# ‘উদয়ন’




সম্পাদক - মিন্টু কোচ

উপদেষ্টা - পল্লৱী বুজৰবৰুৱা

কানৈ নৱীন গোট

কানৈ মহাবিদ্যালয়।



সম্পাদকৰ মেজৰ পৰা সম্পাদকীয় লিখা প্ৰাকমুহূৰ্ত্ব উদ্ভাসিত হৈছে কি লিখো। বৰ্ত্তমান পৃথিৱীখন মাথো ,প্ৰাকৃতিক দূৰ্যোগ, বন্দুক,বোমা বাৰুদৰ কলীয়া ডাৱৰ সকলোতে এন্ধাৰ । তথাপি সন্ত্ৰাস , আতংক , কাল এন্ধাৰ বিনাশি সন্মুখত ন- শতিকাৰ ন - সূৰ্যৰ , ন-আশা , ন- প্ৰতিশ্ৰুতিৰ আগমন “আমাৰ আছে বিংশ শতিকাৰ (মানুহৰ ) ওপৰত বিশ্বাস , আমাৰ আছে ভৱিষ্যতৰ ন- সূৰ্যৰ পিনে চকু।”

একবিংশ শতিকাক স্বাগতম জনাবলৈ “উদয়ন” প্ৰস্তুত হৈছে। সেয়ে প্ৰকৃত অৰ্থত একতা ভাতৃত্ববোধৰ বিশ্বাস আৰু পৰস্পৰৰ প্ৰতি প্ৰেম , সৎচিন্তা, সৎকাম, সৎ মানসিকতাৰে প্ৰকৃত জীৱনটোক উপলব্ধি কৰিবলৈ হ'লে প্ৰতিজন দায়িত্বশীল ব্যক্তিয়েই বৰ্ত্তমান সমাজৰ মাজত সুন্দৰ চেতনাৰ উপলব্ধি আৰু একতাৰ শিকলিৰে সকলো মাজত মন আৰু মানসিকতাক বান্ধি জীৱনটোক সুন্দৰতম ৰূপ দিয়া আৰু তাৰ বাবে আনকো অনুপ্ৰেৰণা দিয়া মানৱ সমাজৰ বাবে অতি অপৰিহাৰ্য হৈ পৰিছে । ইয়াৰ লগতে সাহিত্য সাংস্কৃতিৰ বিশাল বোঁৱতী সুঁতিটোক অবিচ্ছিন্ন ধাৰাৰে মহাসমুদ্ৰলৈ বোৱাই নিবও লাগিব । তেহে এক বিংশ শতিকাৰ নতুন প্ৰজন্মই আমাৰ সদিচ্ছাক আঁকোৱালি লব ।

আমি আশা ৰাখিছোঁ এক বিংশ শতিকাই জয়াতীৰ্থৰ সমন্বয় সাঁকো গঢ়া সমাজখনক বিশ্বৰ নতুন ভবিষ্যতৰ বতৰা দিবলৈ আৰু আমাৰ সাহিত্য সংস্কৃতিৰ সেউজ পথাৰখন জনগণৰ সঁচা সাহিত্যৰ নতুন চলেৰে উৰ্বৰা কৰি সোনালী শইচৰ সমভাৱেৰে ভৰাই তুলিবলৈ দেৱালৰ কণ্ঠস্বৰ বা প্ৰগতিৰ পথত নতুন কবি,লেখক , শিল্পী সকলে নৱ প্ৰজন্মৰ সৃষ্টিৰ বাবেই লওক আৰু বিভিন্ন লেখনীৰ শব্দবোৰৰ বুকু কঁপাই তোলক। জনতাৰ জীৱণৰ প্ৰেৰণা উদ্দীপক হৈ পৰক -

খোদিত হওক একংবিংশ শতিকাৰ নিৰ্লোভ ভাস্কৰ্য ।

সম্পাদক

# "ভট্টচাৰৰ বিয়োগত এটি অনুভৱ"

শ্ৰী দিলীপ শইকীয়া

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

" চিৰশান্তি লভক
তেজেৰে শলিতা জ্বলাইছো
দুহাতেৰে চৰণ পখালিছো
চিৰশান্তি চিৰশান্তি । "

ভট্টচাৰৰ বিয়োগৰ বাতৰি কাকতেতহে পঢ়ি বলৈ পাইছিলো । তেতিয়া পৰীক্ষা দি মই ঘৰত আছিলো । বুকুত এক বুজাব নোৱাৰা শিহৰণ বৈ গৈছিল বাতৰিৰ শিৰোনামাটো দেখি । কেৱল মোৰ ক্ষেত্ৰতে এনে হৈছিল নে কি মই নাজানো , তথাপিতো মোৰ দৃ ঢ় বিশ্বাস আছে ভট্টচাৰক চিনি পোৱা । ক্ষন্তেক সময়ৰ বাবে হ'লেও তেওঁৰ সানিধ্য পোৱা প্ৰত্যেকজন ছাত্ৰ তথা ব্যক্তিৰ
হৃদয় দয়তে হয়তো মৃদু ভাবে হ'লেও তেওঁৰ এই বিয়োগৰ বাতৰিয়ে হাঁহাকাৰ কৰিছিল। ভট্টচাৰৰ এই অকাল বিয়োগ কেতিয়াবা মানি লবলৈ মন নাযায়। অনুভৱ হয় কানৈ মহাবিদ্যালয়ৰ এটা অধ্যয়ৰ খেল সামৰণি পৰিছে । এজন আদৰ্শবান শিক্ষক, এজন কতৰ্ব্যনিষ্ঠা পুৰুষ এক ৰসাল ব্যক্তিত্ব আৰু এটি প্ৰতিভাৰ মৃত্যু হৈছে ।

ভট্টচাৰৰ খুব বেছি সান্নিধ্য পোৱা নাছিলো । তথাপিতো এই কম সময়তে ভট্টচাৰে মোৰ হৃদয়ত মচিব নোৱাৰা সাচ বহুৱাই থৈ গল তাক মই হয়তো আজীৱন পাহৰিব নোৱাৰিম । ই মোৰ হৃদয়ত সদায় উজ্বলি থাকিব এগছি শিখাৰ দৰে । মই ভট্টচাৰক প্ৰায় ঐচ্ছিক অসমীয়া বিষয়তহে লগ পাইছিলো । মোৰ বিশ্বাস ভট্টচাৰৰ প্ৰতিটো ক্লাছতে মই হয়তু উপস্থিত আছিলো আৰু খুব মনোযোগেৰে তেওঁ কোৱা কথাবোৰ শুনি গৈছিলো । তেওঁ গল্প, কবিতা,উপন্যাসৰ বিষয়ে কওঁতে প্ৰায়েই কৈছিল " জীৱন আচলতে নাটঘৰহে "।

এবাৰ তেওঁ সাহিত্য কি সাহিত্য কাকবোলে বুলি কওঁতে কৈছিল - " সাহিত্য সমাজৰ দাপোন, এজন ডাক্তৰে ইঞ্জিনীয়াৰৰ কিতাপ নপঢ়ে অথচ দুয়োজনেই সাহিত্য পঢ়ে , সাহিত্য ভাল পায় ।"

এই ব্যক্তিজনেই আজি আমাৰ মাজত নাই । তেওঁৰ অভাৱ আজি আমি বাৰুকৈয়ে অনুভৱ কৰিছো । শ্ৰেণীত হাঁহিবলৈ মন গলে প্ৰায়েই তেওঁৰ কথা মনত পৰে । তেওঁ লক্ষ্যধৰ চৌধুৰীৰ এফাঁকি কবিতা বৰ প্ৰিয় আছিল -

" জীৱন জুখিবা হাঁহিৰে
চকুলোৰে নহয়,
বয়স জুখিবা বন্ধুত্বৰে
বছৰেৰে নহয় ।

এই মহান ব্যক্তিজন,আমাৰ শ্ৰদ্ধাৰ শিক্ষগুৰুজন আজি আমাৰ মাজত নাই। সাহিত্য সভাৰ একনিষ্ঠ কৰ্ম্মী আৰু বহুতো অনুষ্ঠান লগত জড়িত আছিল ।
আজি শেষত ভট্টচাৰৰ বিদেহী আত্মাৰ চিৰ শান্তি কামনা কৰি পুনৰ তেওঁলৈ ..........

" এটি প্ৰতিভাৰ অকাল মৃত্যুত
দুখবোধে আগুৰিছে
অশ্ৰুঅঞ্জলি যাচিছো
তেওঁৰ আত্মাই চিৰশান্তি লভক
স্বৰ্গলোকত স্থান পাওঁক ।।"

OOO

# "কেশৱ মহন্তৰ কবিতাৰ বিষয়ে একাষাৰ"

টুনুজ্যোতি গগৈ
স্নাতক ২য় বর্ষ (কলা)

অসমীয়া প্রগতিশীল কাব্য সাহিত্যৰ ইতিহাসত কেশৱ মহন্তৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য এই বাবেই যে তেওঁৰ কবিতাত গাঁৱৰ চিনাকি মাটি, পানী, বায়ু একাকাৰ হৈ পৰাই নহয়, গাঁৱৰ সহজ সৰল মানুহখিনিৰ জীৱন সংগ্রামো সফল তথা প্রাণৱন্ত ভাৱে অংকিত হৈছে, বিশেষকৈ গাঁৱৰ বৃদ্ধা মহিলা সকলৰ অকৃত্রিম মৰম চেনেহে তেওঁক যথেষ্ট প্রভাৱাহিত কৰিছিল কাৰণেই তেওঁৰ কবিতা আৰু গীতত প্রেম তথা চিৰন্তন ত্যাগৰ প্রতীক গাঁৱলীয়া মহিলাই আগস্থান লাভ কৰিছে, সঁচা ক'বলৈ গ'লে গাঁৱৰ অশিক্ষিত মহিলা সকল তেওঁৰ বাবে আছিল " ঘৰুৱা শব্দৰ ভঁৰাল " । মহন্তই ' বুধবাৰ' ( ৯ আগষ্ট / ১৯৮৯) নামৰ সাপ্তাহিক কাকতখনৰ এটি সাক্ষাৎকাৰত কৈছিল যে গাঁৱলীয়া মহিলা সকলে পাৰিবাৰিক বা সামাজিক জীৱনত সঘনে ব্যৱহাৰ কৰা ফকৰা -নীতি বচন আদিত কবিতাৰ উপকৰণ হ'ব পাৰে ।

স্কুলীয়া জীৱনৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰা কেশৱ মহন্তৰ কবিতাৰ অন্যতম বৈশিষ্ট্য হ'ল মানবীয় আবেদন, - নিস্পেষিত মানুহৰ জীৱনক শব্দৰে অংকন কৰি তেওঁ এখন শ্রেণীহীন সমাজ গঢ়াৰ সপোন দেখে । হয়, চি.পি. আই দলৰ সক্রিয় সদস্য কেশৱ মহন্ত ভাৰতীয় গণনাট্য সংঘৰ লগতো ওতঃপ্রোত ভাৱে জড়িত, - কাজেই , কবিতাৰ যোগেদি পৰিবর্তনৰ লগতে সমন্বয়ৰ বতৰা কঢ়িয়াই আনিব খোজা কেশৱ মহন্তক সঁচা অর্থতেই কমিউনিষ্ট আদর্শত বিশ্বাসী মানুহ বুলি ক'ব পাৰি ।

এবা , কেশৱ মহন্তৰ গীত আৰু কবিতাত আন্তর্জাতিক চেতনাও সুস্পষ্ট । চিত্রকল্পৰ সফল প্রয়োগেৰে তেওঁ চাৰিশৰো অধিক গীত, দুশৰো অধিক কবিতা লিখিছে । গণজীৱনৰ উমসনা তেওঁৰ সৃষ্টিৰাজি আমি অসমীয়া পাঠকৰ ওঁঠত বহু দিনলৈ কঁপি থাকিব বুলি আশা কৰিছোঁ।

# এখন প্রেচ্ক্রিপ্চন , এবুকু আশা

শ্রী নীলাভ নয়ন বৰদলৈ
স্নাতক ২য় বর্ষ ( কলা)
ৰাজনীতি বিজ্ঞান বিভাগ

তোমাৰ কোমল ওঁঠত কিহৰ কবিতা !
তোমাৰ দুচুকুত উমি উমি জ্বলি উঠা জুইকুৰা নাম
মই নাজানোঁ । এতিয়া আঘোণৰ বতৰ,
আমাৰ পথাৰত পকাধানৰ গোন্ধ ।

শুকুলা ডাৱৰত বর্ষাৰ বতৰাৰ দৰেই তোমাৰ
মৌন মুখ আৰু শান্ত হাঁহিত কিবা যেন লিখা আছে
প্রেচ্ক্রিপ্চনৰ ' Rx ' ৰ পিছৰ আখৰ কেইটাৰ দৰেই
কিছুমান অবুজ আঁক ।
প্রতিশ্রুতি ?
নাজানো কিহৰ ।


নীলা পাহাৰটোৰ মূধতে ডাৱৰবোৰ ওলমি থকাৰ দৰেই
আশাবোৰ ওলমি ৰয় হৃদয় জুৰি
হয়তো কোনোবাদিনা বর্ষাই জীপাল কৰিব মোৰ
পৃথিৱী , সেমেকা মাটিৰ গোন্ধে জুৰাব হৃদয়
নতুবা, বুকুবোৰে নীলাকাশমুখী হৈ
পৰি ৰ'ব শুকান পথাৰ খনৰ দৰে
অভ্যন্তৰত অপাৰ উর্বৰতা সাৰটি লৈ ..... দুচকুত ভাঁহিব ।
বর্ষাৰ তৃষাভৰা গান ।

মোৰ পৃথিৱীত
বৰষুণ নাই ; আছে
বর্ষাৰ বতৰা কঢ়িয়াই লৈ ফুৰা
মৌচুমী বতাহৰ কোমল এছাটি বা ...
মোৰ হিয়াৰ আঁচল উৰি যায় ...... আকাশৰ বুকুলৈ ।

# মোৰ কবিতা হওক

শ্ৰী কিশোৰ কুমাৰ গগৈ
স্নাতক ২য় বৰ্ষ

মই কবি নহয় অতীতৰ
তথাপিও মোৰ কবিতা হওক
হাজাৰ শ্বহীদৰ শোণিত বং
কবিতা বোৰ হওক
শোষিতৰ বিদ্ৰোহৰ ভাষা
আৰু হওক
প্ৰিয়াৰ দুচকুৰ এচামুচ নীলা,
গঢ়ি তোলক
শ শ শস্যসম্ভৰা পথাৰ।
সিঁচি দিয়ক
বোকোচা বোকোচে প্ৰেমৰ ফাকুৱা!
আৰু মোৰ কবিতাই
লৈ আহক
নতুনৰ বাবে নতুন সংজ্ঞা।
লাঞ্চনা, বেদনা, দুখবোৰ
আঁতৰি যাওক মোৰ কবিতাৰ পৰা।



# নৱ প্ৰভাত

শ্ৰী অচ্যুত দুৱৰা
স্নাতক ৩য় বৰ্ষ(কলা)



মাজনিশাৰ নিজান ৰাজপথত
অন্ধকাৰ অট্টহাস্য।
পোহৰক খেদি খেদি
অন্ধকাৰে চলায় ৰাজত্ব।
কোনোৱাই কান্দে পিতা-পুত্ৰৰ ভাতৃ
হেকুৰা বেদনাত।
কোনোবাই হিয়া ঢাকুৰি কান্দে
আপোনজনৰ বেদনাত।
মই অতীষ্ঠ হৈ পৰো
মৰাশৰ ওপৰত শগুনৰ টনাটনিৰ
বীভৎস্য দৃশ্য দেখি
হে, নতুন পুৰুষ
আহা আমি যাওঁ আগুৱাই
আন্ধাৰবোৰ বোধি সূচনা কৰো আমি।
নৱ প্ৰভাতৰ ॥

# আবেশত দুচকু

মিণ্টু কোচ

স্নাতক ২য়বৰ্ষ

কিহৰ হেঁপাহত বৈ থাকে এটি দুখৰ ৰাতি
দুখবোৰ মোৰ জাতি ৎগা নহয়
মাথো, মৃসনতা ভাঙি উজাই যোৱা হৃদয় নদী।
দুখ মোৰ নিচাগ্ৰস্ত  হৃদয়ৰ সুৰহীন গানৰ
এন্ধাৰে গৰকা বিষাদৰ চকুলো।
হৃদয়  চুব পৰাঁকৈ
এ সাগৰ উশাহ দিয়া মোক
দুখৰ বিপৰীতে সুখৰ
তোমাৰ দুচকুৰ নীলা তৃষ্ণা
পোৱা - নোপোৱা কৌতুহলতে

তোমাৰ হৃদয়ৰ ছাই ৰঙী আশা।



# "মোৰ ক্লেশ"

পূৰবী সোনোৱাল

স্নাতক ৩য় বৰ্ষ (কলা)

অসমীয়া বিভাগ

যিদিনা অৱৰুদ্ধ আছিলো মই
তোমাৰ প্ৰেমত
মোৰ সুৰৰ ঝংকাৰত
প্ৰতিটো শব্দৰ সৃষ্টিত,
একান্ত অনুভৱত,তুমিয়েই
তুমিতো গমকে নাপালো।
এতিয়া মাথোঁ মোৰ কল্পনাৰ শিখৰত
হৃদয় শন্যত
যেন হেজাৰ যুগৰ ক্লান্তি,
আঁচলৰ ভাঁজত বৈ যাব
মোৰ প্ৰতিটো পলৰ দুখবোৰ
আৰু দুচকুত লোটক।
হয়তো এখন অনুজ্জ্বল আকাশৰ তলত
নীলিম সীমাহীনতাত ভাঁহি যাম
এখন পালতৰা নাৱত।
মোৰ সঙ্গী মাথো মই।
আৰু মৃত্যুৰ ঘ্ৰাণ।



# এমুঠি সুখৰ সন্ধানত

ৰণ্টু কোচ

স্নাতক ৩য় বৰ্ষ(কলা)

কলংকিত ইতিহাসৰ
শেঁতা পৰা মানুহৰ কলিজা
নিলিপ্ত দুখৰ প্ৰতি ছবিত
আজন্ম বেদনা।
হৃদয় স্তম্ভত - তেজে লিখা প্ৰেমৰ বাণী
হেঁপাহৰ আশ্বাসৰ ৰঙীন কল্পনাত
জীয়াই থকাৰ , - নীলাভ চকু পাহি
বিনিময়ত - হৃদয়ৰ পৰা
হৃদয়ৰ মৰমবোৰ ॥



## Know your Needs

**Jabin sultana Rahman**

**B.A.2nd year**



**What restricts you and what forbides you ?**
**To accept my sole love for you**
**You really know not, what you miss today**
**But you'll crave for it later some day**
**For no one will ever love you as i do**
**This is what, you know too.**
**Neither my beauty can charme you today**
**Nor can my voice entangle you**
**But you'll remember my love that day,**
**when this whole world descts you**
**Then may be I'll not be there,**
**To love you and to care**
**For all your feelings and your needs.**
**This is all I can assure you**
**you will find me always as your friend.**

## PAINFUL MEMORIES ALWAYS REMAIN


Binod Borgohain

BSc. III Year

I beg you a bit of pain,
In these happiest days of mine ;
Please, a bit of pain, dear !
Let me sink in my tear .
Laughter mixes in the air,
And tears absorbed in the heart forever ;
None can bruch the deeds of time,
I may be, some day left all alone.
I ne'er wanna forget ,
My these glorious days ;
Give me a little bit of pain,
For it says , the painful memories only remain .
There days may come ;
Whose nights would be long
Cloudy would be the morn,
And this life would be glume
There days may come ;
The another half would then just begin,
You may not ber along ,
Such life of mine, could I carry on ... ?
All alone I may have to go,
Just I don't know -
How Could I do so ...
Dear ! I beg you a bit of pain
For then, with me always remain ;
The Painful memories of these good time;



# REPORT OF GNERAL SECRETARY



Jitu Gogoi

In our notification we know that our D.H.S.K.College is one of the largestCollege in the North east region amongest all which was founded in 20th June1945. I am very glad and thankful to my fellow friends who had elected me and gave the opportunity to serve for the College.

I was elected as General Secretary on 31st December for the session 2000 and the day onwards I had taken oath to abide by the rules and regulations of the College, And it is our duty to keep the reputation of our college in the society. In my consideration I consider the college election as to be a game and those who stands for their respective post in the Election they know their responsibilities and abilities to serve something for the College. Each one of us , these who are studying in the college is a member of student Union Socity and they should know their responsibility and realise their fault.

In one way I am proud of saying that I was successful in my post 'COZ' I had done many things for the College. On the other hand I can say that I was not successul 'COZ' to some extend only. I was able to change the atmosphere of the College with my Union members. It is because of the presence of outsiders who comes only to create a bad name in the college. I think they didn't have any restrictions at the home or they are in lack of their guardian. A rotten potato can damage the whole sack. So we should try our lebel best to throw them out and it is possible through unity and courage of the whole College students.

After taking Oath we had got only four days to organise the College week and it was done with great effort . After this there came the farewell party and function of our respective Vice principal , Sir Bhim Knata Konware, He was an disciplined person and it was our great lost for the College in his retirement . Everything was done properly with guidence of our Principal Sir, Sive Dutta,acording to programme like the College Week, Freshmen Social, Fare Well for the Third year students and so on.

Keeping all this in view it is only in my session, when the Girls & Boys hostel was renovated and the Boys hostel was opened though it was kept closed for last two years. It is in good condition now and 50 students stays there with all short of facilities. The condition of our Sahid Bedi was very petiable as well as the College gate. Now it is rebuilt and the College Gate in coloured beautifully also the classes were also renovated for the students fullfilment.

During this period a computer education system was brought for the bright future of the student in a very least amount which shows a great profit for the students and for the future generation . On the Day 1-7-2000 a student of our College was harmed very badly in the public Bus stand regarding student consession and it lead a great a struggle with the members of All Assam Bus Association. A meeting was held in Dibrugarh Main Police station where the decision was taken that a student will get 50% discunt in between 30 KM and 25% discount above it and it was our great success. It is during my time that the statistic department building was built and the construction of big library was started.

At least firstly I would like to thank my Advisor Principal Sir,Secondly I use to thank those who had elected me as General Secretary and I should take their name in my lips as Jatin Sonowal ( Ex- G.S.) Amrit ( Appu.A.G.S.) Milon, Ratul, Pradip,Pinky, Nafisha, Jimi,Repa, Pallavi, Pappari, Manali, Savana, Nirmita, Munmi, Shanghmitra, Nahin, Samiran, especially all my major mate's Great efforts and so on. Thirdly I like to thank all my Union members fo co-operating with me.

Long Live Students Union
Long Live D.H.S.K.College.

## সম্পাদক ঃ আলোচনী বিভাগ



সাৰংগ শংকৰ কলিতা

প্ৰথমৰে পৰা 'কানৈয়ান' ৰ সম্পাদক দায়িত্ব লবৰ জোখাৰে মোৰ যোগ্যতা সম্পৰ্কে মোৰ নিজৰেই সন্দেহ আছিল। কিন্তু দাদা- বাইদেউ, বন্ধু-বান্ধৱীৰ আৰু ভাইটি-ভন্টিৰ এৰাব নোৱাৰা হেচাঁত, এই বিষয়ে মই দ্বিতীয়বাৰ ভাবিবলৈ বাধ্য হৈছিলো। শেষ পৰ্য্যন্ত অওকনীয় হৈ থাকিও মই-অৱশেষত আগবাঢ়ি আহিব লগীয়া হ'ল। 'কানৈয়ান' সকলে নিৰ্ব্বাচনী ৰায়দানৰ যোগেদি মোক এই দায়িত্ব অৰ্পণ কৰিলে হয়, কিন্তু মোৰ যোগ্যতা সন্দৰ্ভত শেষ বিচাৰ মই "কানৈয়ান" ৰ আগ্ৰহী পাঠক-পাঠিকাসকলৰ পৰা আশা কঁৰিলো।

কেৱল ৪৭,৫৭৭.০০টকাৰ পুঁজিৰে এখন 'ভাল' কানৈয়ান ছপা কৰি উলিওৱাটো কিমান দুৰূহ কাম সেইয়াএই সন্দৰ্ভত ব্যৱহাৰিক অভিজ্ঞতা নাথাকিলে অনুমান কৰি লব নোৱাৰি। কাগজৰ আকাশ লঙ্ঘী দাম আৰু বেটুপাট আদি ছপাবৰ বাবে হোৱা অত্যাধিক খৰচ 'কানৈয়ান' ছপোৱাৰ ক্ষেত্ৰত প্ৰধান বিত্তীয় বাধা হৈ দেখা দিয়ে। উৎকৃষ্ট মানৰ কাগজ ব্যৱহাৰ কৰিব নোৱাৰিলে উৎকৃষ্ট ছপা কাৰ্য্য সম্ভৱ নহয়। আমি কিন্তু প্ৰত্যেকজন কানৈয়ানৰ ভাগত অহাকৈ এই ক ম সীমিত পুঁজিৰে ২০০০কপি কানৈয়ান ছপা কৰি উলিয়াব নোৱাৰিলো। তাৰ বাবে কোনো কানৈয়ানে 'কানৈয়ান'ৰ সম্পাদকক জগৰীয়া কৰিব নোৱাৰিব। নিৰ্দ্ধাৰিত পুঁজিতকৈ এপইচাও বেছি দিবলৈ কৰ্তৃপক্ষ ৰাজী নহয় ("কৰ্তৃপক্ষৰেই জানো পানীত হাঁহ নচৰা অৱস্থা নহয়"?)। মই কলেজ কৰ্তৃপক্ষক জনাইছিলো যে বাজেট আৰু অলপ বৃদ্ধি কৰি দিবলৈ। কিন্তু কলেজ কৰ্তৃপক্ষৰ ওচৰত কৰা অনুৰুধ অথলে গ'ল। আলোচনী খনৰ বাবদ পোন প্ৰথমে নিৰ্দ্ধাৰিত কৰা পুঁজিও পিছলৈ কম কৰি দিয়া দেখা গ'ল। আটাইতকৈ আৰ্শ্বয্য জনক বিষয় হৈছে যে "১৯৯৯-২০০০" চনৰ কানৈয়ানৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ২০৫২জন আৰু এই ২০৫২ জনৰ পৰা আলোচনী খনৰ বাবদ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ৩৫.০০টকাকৈ নামভৰ্ত্তিকৰা সময়ত এই মাছুল দিব লাগে। আলোচনী খনৰ বাবদ সৰ্বমুঠ জমা হয় ৭১,৮২০ টকা। কিন্তু কলেজ কৰ্তৃপক্ষই আলোচনীখনৰ বাবে দিয়ে মাত্ৰ ৪৭,০০০.০০টকা। এতিয়া কানৈয়ানে নিজে বিচাৰ কৰি চাওঁক, কিদৰেইমান কম পুঁজিৰেএখন ভাল 'কানৈয়ান' উলিয়াব পাৰি বা সকলো কানৈয়ানে একোখন 'কানৈয়ান' কিয় পাব নোৱাৰি। ইয়াৰ বাবে, জগৰীয়া কোন কানৈয়ানৰ সম্পাদক নে কলেজ কৰ্তৃপক্ষ ?


প্ৰত্যেক বছৰে কলেজ আলোচনী অৰ্থাৎ 'কানৈয়ান' খন উলিয়াবৰ সময়ত টকা-পইচা প্ৰধান সমস্যা হিচাপে দেখা দিয়ে। সেইবাবে কলেজ কৰ্তৃপক্ষৰ ওচৰত মোৰ বিনম্ৰ অনুৰুধ যাতে কলেজৰ আলোচনী শিতানটো অৰ্থাৎ আলোচনীখনৰ বাবদ যি বাজেট ধাৰ্য্য কৰা হয় পিছলৈ যাতে আলোচনী উলিয়াবৰ সময়ত আলোচনী সম্পাদক জনে কোনো আৰ্থিক সংকট সন্মুখীন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি আৰম্ভনীতে সঠিক ভাৱে বাজেট ধাৰ্য্য কৰিবলৈ কলেজ কৰ্তৃপক্ষক অনুৰুধ জনাঁলো।

প্ৰথমতে 'কানৈয়ান' খন নিজস্ব দৃষ্টিভংগীৰে উলিয়াবৰ বাবে চেষ্টা কৰিছিলো আৰু উত্তৰ পূৰ্বাঞ্চল আন্তঃ মহাবিদ্যালয় আলোচনী প্ৰতিযোগীতাত অংশ গ্ৰহন কৰিম বুলি মনত পুহিঁ ৰাখিছিলো। কিন্তু এইয়া সম্ভৱ হৈ নুঠিল। অকল সীমিত পুঁজিৰ অভাৱৰ বাবে নহয়। আন কিছুমান প্ৰতিবন্ধকতাৰ বাবে সফল হৈ নুঠিল। এটা সময়ত 'কানৈয়ান' খনৰ বাবে প্ৰবন্ধ,গল্প,কবিতা বিচাৰি হাবাথুৰি খাইছিলো। লেখা আহিছিল গণ্ডাই-গণ্ডাই কবিতা আৰু গল্প । এখন ভাল 'কানৈয়ান'ৰ বাবে প্ৰয়োজনীয় মানদণ্ড সম্পন্ন লেখা প্ৰায়ে নাছিল। প্ৰবন্ধ শিতান সম্পূৰ্ন্ন ৰূপে শিক্ষক-শিক্ষয়িত্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। "কানৈয়ান" খন যিমান পাৰো কলেজৰ কেন্দ্ৰীক আৰু ছাত্ৰ-ছাত্ৰী কেন্দ্ৰীক কৰিম বুলি লোৱা সংকল্প আদ বাটতে বিসৰ্জন দিব লগীয়া হ'ল। কানৈয়ান ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-চৰ্চা অভাৱৰ বাবে দেখা দিয়া এনে অন্তঃসাৰ শূন্যতা সচাঁকৈয়ে বৰ দুঃখদায়ক।

যি কি নহওঁক 'কানৈয়ান' প্ৰস্তুতিত আপোনালোকৰ আৰ্শীবাদ আৰু সহায় সহযোগৰ বাবে 'কানৈয়ান' আপোনালোকৰ হাতত তুলি দিব বিচাৰিছো। 'কানৈয়ান' খন সময়মতে উলিয়াবৰ বাবে কাৰ্য্যভাৰ গ্ৰহনৰ দিন ধৰি অহৰ্নিশে চলাই থকা প্ৰস্তুতিৰ অন্তত কিমান সফল হব পাৰিছো নিজৰেই সন্দেহ। নতুন তথা অগতানুগতিক কিবা হৈছে নে নাই পাঠকে নিজেই বিবেচনা কৰিব।

সদৌ শেষত কানৈ কলেজৰ আৰু কানৈয়ানৰ আশু উন্নতি কামনা কৰি এই প্ৰতিবেদন সামৰিলোঁ।

"জয়তু কানৈ কলেজৰ"


সাবংগ শংকর কবিত

# সম্পাদক : তৰ্ক আৰু সাংস্কৃতিক বিভাগ



ঋতুৰাজ বাইলুং

দৰাচলতে মই মোৰ কাৰ্য্যকালৰ প্ৰতিবেদন লিখিবলৈ বুলি লৈছিলো যদিও আচলতে ইয়াত ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে মোৰ মনৰ অনুভৱখিনিহে দাঙি ধৰিছো-

প্ৰতি বেদনৰ আৰম্ভনিতে মই সমূহ কানৈয়ানলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো যিয়ে মোক এই পদটিৰ বাবে ভোটদানেৰে নিৰ্বাচনত জয়লাভ কৰালে আৰু সাংস্কৃতিক দিশত এই মহাবিদ্যালয়ত সুকীয়াকৈ, ভিন্ন আৰ্হিত, শৃংখলাবদ্ধভাবে মই ভবা ধৰণে অলপ হলেও কিবা এটা কৰাৰ বাবে মোক সুযোগ দিলে। সাহিত্য সংস্কৃতি এটা জাতিৰ দাপোন স্বৰূপ । তাৰ অবিহনে এটা জাতিৰ সুকীয়া পৰিচয় দিবলৈ অন্য একো নাই। ছাত্ৰ সকলেই হৈছে এখন দেশৰ এটা জাতিৰ ভৱিষ্যত। গতিকে ছাত্ৰসকলৰ উন্নতি আৰু বিকাশৰ লগতেই এখন দেশৰ, এটা জাতিৰ মান, সন্মান, বিকাশ, উন্নতি আৰু প্ৰগতি নিৰ্ভৰ কৰে। এই ছাত্ৰ ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক আৰু শাৰীৰিক বিকাশৰ পঢ়া-শুনাৰ লগতে খেল ধেমালি, সাহিত্য সংস্কৃতি সকলোতে সমানে চৰ্চাৰ প্ৰয়োজন। ছাত্ৰা নং অধ্যয়নং তপঃ । ছাত্ৰ-ছাত্ৰীৰ মূল কৰ্তব্য অধ্যয়ন কৰিবই লাগিব। কিন্তু সকলো সময়তে অধ্যয়নৰ দ্বাৰা মানসিক যি চাপ পৰে তাৰ বাবে কিছু মানসিক বিশ্ৰামৰ প্ৰয়োজন। সেইবাবেই কিছু সংগীত বা অন্য সাংস্কৃতিক চিন্তা-চৰ্চাৰ দ্বাৰা মানসিক বিশ্ৰাম আৰু উদ্যম পোৱা যায়। লগতে নিজৰ এটা সুকীয়া পৰিচয় পোৱাৰ লগতে আন বহুজন ব্যক্তিৰ লগত সদ্ভাৱ-সম্প্ৰীতি গঢ়ি উঠে। বৰ্তমান যিটো বস্তুৰ অভাৱ । গতিকে আজিৰ পৰিস্থিতিত যি মানুহৰ মাজত সম্প্ৰীতিৰ অভাৱ, মাথো হিংসা-হত্যা, বিদ্ৰোহৰ মনোভাৱ তেনে অৱস্থাত এই ধৰণৰ চিন্তা-চৰ্চাৰদ্বাৰা বহু উপকৃত হ'ব পৰা যাব বুলি মোৰ বিশ্বাস।

অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান এই 'কানৈ' মহাবিদ্যালয়ত প্ৰথম ভৰি দিয়াৰ দিনৰপৰাই দেখিছিলো যে অসমৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় হোৱা সত্বেও এই মহাবিদ্যালয়ত ঠিক যেনেধৰণৰ এটা সাংস্কৃতিক পৰিবেশ অৰ্থাৎ সাংস্কৃতিক চিন্তা-চৰ্চা বা প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰী সকলক কিবা এটা কৰাৰ বা তেওঁলোকক আত্মপ্ৰকাশ কৰাৰ বাবে যিবোৰ সুযোগ সুবিধা দিব লাগে তাত যেন মহাবিদালয়ৰ সমগ্ৰ ব্যৱস্থাটোতেই কিহবাৰ অভাৱ । অথচ এই মহাবিদ্যালয়তেই বহু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰী আছে। তাৰ কোনোজনৰ হয়তো সুবিধা পোৱাৰ বাবে প্ৰতিভাৰ বিকাশ হৈছে, হয়তো কোনোজনৰ কোনো মাধ্যম নোপোৱাৰ বাবে সুপ্ত হৈ ৰৈছে। কিন্তু তেওঁলোকে নিজে পঢ়া মহাবিদ্যালয়খনতেই নিজকে আত্মপ্ৰকাশ কৰাৰ বাবে সুযোগ নাপায়, যাৰ ফলত নিজৰমহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষকসকলৰ প্ৰায়বোৰেই গম নাপায় যে এই মহাবিদ্যালয়েই একোজন ছাত্ৰ বা ছাত্ৰী কিমান প্ৰতিভাসম্পন্ন। তাৰে একোজন অনাতাঁৰ শিল্পী, দুৰদৰ্শনৰ শিল্পী পৰ্য্যন্ত আছে। এই ক্ষেত্ৰত আমাৰ একতা সভাৰ বিষয়ববীয়া সকলকো দেখা যায় তেওঁলোকৰ যেন কোনোমতে 'মহাবিদ্যালয় সপ্তাহ' পালনতেই দায়িত্ব শেষ।

আমাৰ 'মহাবিদ্যালয় সপ্তাহ' ক বাৰ্ষিক প্ৰতিভাসন্ধানী সপ্তাহ হিচাপেও পালন কৰা হয় । অলপ আন্তৰিকতাৰে, অলপ আকৰ্যণীয় ৰূপে যদি প্ৰতিযোগিতাসমূহ পতা হয় তেন্তে নিশ্চয় আমাৰ প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰী সকলক চিনিব পৰা হ'ব আৰু উপযুক্ত পুৰস্কাৰৰ দ্বাৰা পুৰস্কৃত কৰি তেওঁলোকক উৎসাহিত কৰিব পৰা যায়। পিছে তাকে আমাৰ কলেজত ভালদৰে পতা নহয়। এই ক্ষেত্ৰত অকল ছাত্ৰ একতা সভাই একো কৰিব নোৱাৰে। তাৰ বাবে সকলোৰে সহায় সহযোগিতাৰ প্ৰয়োজন। শিক্ষকসকলো সমানে আগ্ৰহী হ'ব লাগিব। যিটো বস্তুৰ অভাৱ আমাৰ মহাবিদ্যালয়ত । আমাৰ শিক্ষক সকলে এই ক্ষেত্ৰত নিজে অকনো আগবাঢ়ি নাহে। কেইজনমান শিক্ষকৰ বাদে বাকীসকলৰ একো সহায় সহযোগিতা পোৱা নাযায় । শিক্ষকসকলৰ মতে ছাত্ৰসকলে তেওঁলোকৰ লগত সম্পৰ্ক নাৰাখে , আন্তৰিকতাৰে আমন্ত্ৰণ নকৰে, যিকোনো অনুষ্ঠানতে উশৃংখলতাৰ সৃষ্টি কৰে, আদি অভিযোগ শুনা যায় । হয়, সেইটো ছাত্ৰ একতা সভাৰ সদস্য হিচাপে মই স্বীকাৰ কৰিছো । কিন্তু আমাৰ একতা সভাখনিয়ে যথেষ্ট কষ্ট কৰি প্ৰায় সকলো কেইজন শিক্ষক-শিক্ষয়িত্ৰীৰ ঠিকনা বিচাৰি বিচাৰি ঘৰলৈ গৈ "মহাবিদ্যালয় সপ্তাহ" ৰ বাৰে নিমন্ত্ৰণ কৰা স্বত্বেও কেইজন মানৰ বাদে বাকীসকলে যোগদানেই নকৰিলে । সেইসময়ত আমাৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল সেই কথা অলপ আমাৰ ছাৰহঁতে ভাৱি চাব লাগে । তাতোকৈ বেছি এজন ছাত্ৰৰদ্বাৰা কৰাতো সম্ভৱ নহয় । যিটো সাধাৰণতে আগতে কোনেও কৰা নাই । অৱশ্যে ইয়াৰ ফলত দেখা গৈছিল যে আগতকৈ বহুকেইজন শিক্ষকে অংশ গ্ৰহণ কৰিছিল। ছাৰসকলৰ মতে সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰসকলে উৎপাত, চিঞৰ বাখৰ কৰে । কিন্তু আমি ভাবো আমাৰ যদি সকলো শিক্ষক-শিক্ষয়িত্ৰী অনুষ্ঠানসমূহত উপস্থিত থাকে তেন্তে ল'ৰাবোৰে চিঞৰ বাখৰ কৰা কামটো অলপ হ'লেও নিয়ন্ত্ৰণত ৰ'ব । তাদুপৰি কোনোবাই অলপ বিহুসুৰীয়া বা নাচো নাচো লগা বিধৰ গান এটা গালে যদি হাতচাপৰি বজাই, অলপ নাচি-বাগি অনন্দ প্ৰকাশ কৰে তাত কলেজীয়া ল'ৰা হিচাপে হয়তো একো বেছি কৰা নহয়।

ছাত্ৰসকলে যাতে মোৰ এই কথাটোত ভুল নুবুজে। মই আচলতে ক'ব খুজিছো যে বছৰত এবাৰ অহা এই বাৰ্ষিক উৎসবত মনৰ আনন্দত অলপ ফুৰ্তি কৰা কথাটোহে ক' ব খুজিছো। বাৰু, যিয়েই নহওক, এই ইমানবোৰৰ মাজতো মোক বিশেষভাৱে সহায় কৰাৰ বাবে মই মোৰ শিক্ষাগুৰু সৰ্বশ্ৰী বিনোদ বড়া চাৰ, পল্লবী বাইদেউ, সান্তনু সেনগুপ্তৰ চাৰ, মুনীন শৰ্মা চাৰ, কল্পনা বাইদেউ, দেৱপল্লৱ ৰাজখোৱা চাৰ,জে:কে: মহন্ত চাৰক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

মই মোৰ কাৰ্য্যভাৰ চলাবলৈ গৈ আৰু কিছুমান কথা লক্ষ্য কৰিলো যে আমাৰ ছাত্ৰ একতা সভাৰ কিছুমান সদস্য ইমানেই অজ্ঞ যে নিজৰ পদটোৰ কৰণীয় কামখিনিয়েই নাজানে। তদুপৰি কোনোৱে কামটো পাল মাৰি কৰিবলৈ বিচাৰে । আমাৰ একতা সভাৰ অৱশ্যে বেছিভাগেই ইজনে সিজনক সহায় কৰিছিল। মোক বিশেষ ধৰণে সহায় কৰা সকলৰ ভিতৰত আমাৰ উপ- সভাপতি শ্ৰীকৃষ্ণ নাৰায়ণ দত্ত বৰুৱা,সংগীত সম্পাদক দুৰ্গেশ্বৰ হাজৰিকাক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। তাৰোপৰি-সাৰংগ,নিত্যা ভাস্কৰ,সঞ্জীৱ আদিলেও মোৰ ধন্যবাদ থাকিল। পিচে আমাৰ একতা সভাৰ সাধাৰণ সম্পাদক তেওঁ যেন অকল সভাখন অনুষ্ঠিত কৰিয়েই দায়িত্ব শেষ। তেওঁ নিমন্ত্ৰনী পত্ৰ ছপালে কিন্তু সেইবোৰ যে প্ৰত্যেককে দিব লাগে তাৰ খবৰ নাই। একতা সভাৰ বাকী সদস্য সকলে নিজৰ নিজৰ কামবোৰ নিয়াৰিকৈ কৰিছে নে নাই, কিবা অসুবিধা হৈছে নেকি সেইবোৰ যে খবৰ কৰিব লাগে একো নাই College Weekত আহে ইফালে-সিফালে ঘুৰে, মন যোৱা কিবা এটা খেলে, তাৰ পাছত নাই আৰু, গোটেই দিনটোলৈ নাই। এজন সাধাৰণ সম্পাদকে যদি এইদৰে কৰে তেন্তে বাকীবোৰে বাৰু কিদৰে নিজৰ কামবোৰ নিয়াৰিকৈ কৰিব। তাৰোপৰি আমাৰ একতা সভাৰ প্ৰত্যেকটো পদৰ বাবে একোজনকৈ Prof. incharge থাকে । কিন্তু দেখা যায় যে কিছুমান ক্ষেত্ৰত এটা এটা পদৰ দায়িত্ব দিওঁতে সেই পদটোৰ বাবে যিজন শিক্ষকক দিয়া হয় তেওঁৰ আগ্ৰহটোলৈ লক্ষ্য কৰা নহয়। কোনোজন যদি Cultural দিশত আগ্ৰহী তেওঁক দায়িত্ব দিয়া হয় খেলত, আগ্ৰহীজন Cultural ত তাৰফলত বহু অসুবিধা হয় । সেইবাবেই এইখিনিতে কলেজৰ কৰ্তৃপক্ষৰ প্ৰতি মোৰ এটি অনুৰোধ যাতে একতা সভাৰ প্ৰতিটো পদৰ বিপৰীতে Prof. incharge সকল নিয়োগ কৰোঁতে যেন তেওঁলোকৰ কোনটো বিষয়ৰ প্ৰতি আগ্ৰহ সেইটো লক্ষ্য কৰে। তাৰোপৰি আৰু এটা কথা, আমাৰ ছাত্ৰ কিছুমানে কলেজত কিবা এটা অনুষ্ঠান হলেই দুপেগমান ধৰি উৎপাত কৰা এটা সাধাৰণ কথাত পৰিণত হৈছে। সেইসকলৰ প্ৰতি মোৰ এটি অনুৰোধ তেওঁলোকে যেন কলেজখন নিজৰ সম্পত্তি হিচাপে জ্ঞান কৰি ইয়াত পতা অনুষ্ঠান সমূহ নিজৰ ঘৰৰ যেন জ্ঞান কৰি দুপেগ মান খালেও যেন অলপ নিয়ন্ত্ৰনত থাকিবৰ চেষ্টা কৰে। আৰু এটা কথা দেখা যায় যে কলেজৰ অনুষ্ঠান সমূহত কিছুমান ছাত্ৰীয়ে এনে কিছুমান কুৰুচিপূৰ্ণ সাজ পৰিধান কৰে যে আমাৰ এই পৰিবেশত হয়তো খাপ নাখায়, কিয়নো পশ্চিমীয়া ধৰণে অলপ অশোভিত সাজ -পাৰ কৰা এই সকলে অলপ ভাৰি চাব লাগে যে আমাৰ ইয়াৰ ব্যৱস্থা বৰ্তমান বহু পিছত আছে। মই ভাবো কলেজৰ অনুষ্ঠান সমূহত কাৰোবাক জোকাব তাৰ ফলত অশুভ পৰিস্থিতিৰ সৃষ্টি হোৱা ইও হয়তো এটা কাৰণ । তাৰ সলনি এযোৰ পাটৰ কাপোৰ বা শাৰীৰে এজনী যুৱতীক সুন্দৰ কৰি তোলাৰ উপৰি গোটেই পৰিবেশটোৱেই শুৱনী হৈ পৰে।

মই মোৰ কাৰ্য্যকালত বহু অসুবিধাৰ মাজেৰেই যি পাৰোঁ কৰি গৈছিলো। কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পাছতেই আমি মহাবিদ্যালয় সপ্তাহ পালন কৰো। সকলো ধৰণৰ প্ৰতেযোগিতাৰ লগতে শেষ দিনাখন আমি বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। যথেষ্ট উন্নতমানৰ হৈছিল সেই অনুষ্ঠান । সংগীত, নাচ-গান, কাৰাটেৰ প্ৰদৰ্শন, দলীয় নৃত্য, অভিনয়, সুৰ সমলয় আদিৰে পৰিপূৰ্ণ আছিল অনুষ্ঠানটো মই প্ৰথমবাৰৰ বাবে পতা কুইজ প্ৰতিযোগীতাত 'পোনপতীয়াকৈ গোৱা গান আৰু বাদ্য-যন্ত্ৰৰে পৰিপূৰ্ণ' এটি Live audio sound দিছিলো। আমি তাৰ পিছত নবাগত সকলক আদৰণি সভা,শংকৰদেৱৰ তিথি তৃতীয় বাৰ্ষিকৰ বিদায় সভা অনুষ্ঠিত কৰো ।

মই মোৰ কাৰ্য্যকালত দেখা কলেজৰ প্ৰতিভাবান ছা সকলৰ ভিতৰত-কৃষ্ণ নাৰায়ণ দত্ত বৰুৱা, স্বাক্ষৰ শৰ্মা, লক্ষীৰঞ্জন দত্ত,নীহাৰিকা শইকিয়া, ৰিতুল,সুৰজিৎ ৰাজখোৱা, ৰাজেশ দাস, জিন্টু বৰা, সুভ্ৰজিৎ কাকতি, প্ৰিয় চেং, ধৰ্মকান্ত, প্ৰজীপ্ত, আৰু নাম নজনা আৰু বহুকেইজন অনান্য ছাত্ৰ-ছাত্ৰীলৈ তেওঁলোকৰ উজ্বল ভৱিষ্যত কামনা কৰিলো। মোক বিভিন্ন দিশত সহায় কৰা বাবে সমূহ কানৈয়ানলৈ (নাম উল্লেখ নকৰো কিয়নো মইপ্ৰায় সকলোৰে পৰা সহায় পাইছিলো ) মোক আন্তৰিক ধন্যবাদ থাকিল। সদৌ শেষত কানৈ মহাবিদ্যালয়ৰ গৌৰৱ চিৰদিনীয়া হোৱাৰ আৰু কানৈয়ানৰ দীৰ্ঘয়ু কামনাৰে মই মোৰ প্ৰতিবেদন ইয়াতে সামৰণি মাৰিছো।

জয়তু কানৈ মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

## সম্পাদক ঃ সংগীত বিভাগ



শ্ৰীদুৰ্গেশ্বৰ হাজৰীকা

ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদকৰ পদৰ বাবে উপযুক্ত বুলি নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৰা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰসমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। এখন মহাবিদ্যালয়ৰ গুৰু দায়িত্বত থাকি যোৱা এটি বছৰত কৰণীয় কামৰ সামান্যতমো পাৰদৰ্শিতা আৰু সফলতা দেখুৱাব পাৰিলো নে নোৱাৰিলো সেই বিচাৰৰ দায়িত্ব অৰ্পন কৰিছো মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰীৰ ওপৰত।

